# REGIONAL NEWS UNIT
## AKASHVANI, GUWAHATI
0000000000

**Date :** 06-NOV-2025
**Time :** 1845 HRS

## *Assamese Evening Bulletin*
### Headlines
--------------------

১।	ছহিদ কনকলতা বৰুৱা ৰাজ্যিক বিশ্ববিদ্যালয়ৰ নিৰ্মাণকাৰ্যত ব্যৱহাৰ বাবে ২৭০টা অমৃত কলহ আজি গহপুৰলৈ প্ৰেৰণ।

২।	দুদিনীয়া ভ্ৰমণসূচীৰে কেন্দ্ৰীয় বিত্তমন্ত্ৰী নিৰ্মলা সীতাৰমণৰ কাইলৈ অসম আগমন। গুৱাহাটীৰ অত্যাধুনিক ফেৰী টাৰ্মিনেল মুকলি।

৩।	চৰ্দাৰ বল্লভভাই পেটেলৰ ডেৰশ বছৰীয়া জয়ন্তী উদযাপন অংশ হিচাপে আজি বিভিন্ন জিলাত **একতাৰ দৌৰ** কাৰ্যসূচী।

৪।	অসমৰ মুখ্য তথ্য আয়ুক্ত ভাস্কৰজ্যোতি মহন্তৰ পদত্যাগ।	*আৰু*

৫।	কুইন্সলেণ্ডত অনুষ্ঠিত পাঁচখনীয়া টি-২০ ক্ৰিকেট শৃংখলাৰ চতুৰ্থখন খেলত আজি অষ্ট্ৰেলিয়াৰ বিৰুদ্ধে ভাৰতৰ ৪৮ ৰানত জয়লাভ।

০০০০০

মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই গহপুৰত ছহিদ কনকলতা বৰুৱা ৰাজ্যিক বিশ্ববিদ্যালয়ৰ নিৰ্মাণকাৰ্যত ব্যৱহাৰ হ'বলগীয়া অমৃত কলহ কঢ়িয়াই নিয়া বাহনৰ আজি শুভাৰম্ভ কৰে। বিশ্ববিদ্যালয়খনৰ আধাৰশিলা স্থাপনৰ বাবে শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰত সংৰক্ষণ কৰি ৰখা ২৭০টা অমৃত কলহ গহপুৰলৈ লৈ যোৱা হ'ব। উল্লেখযোগ্য যে 'মোৰ মাটি, মোৰ দেশ' কাৰ্যসূচীৰ অংশ হিচাপে ২০২৩ বৰ্ষৰ ২০ ছেপ্তেম্বৰৰ পৰা ৰাজ্যত অমৃত কলহ যাত্ৰাৰ ৰূপায়ণ কৰি প্ৰতিখন গাঁও আৰু পৌৰ এলেকাৰ প্ৰতিটো ৱাৰ্ডৰ পৰা সংগ্ৰহ কৰা মাটি বা চাউল অমৃত কলহত সংগ্ৰহ কৰা হৈছিল। মুখ্যমন্ত্ৰী ড০ শৰ্মাই তেওঁৰ ভাষণত ছহিদ কনকলতা বৰুৱা ৰাজ্যিক বিশ্ববিদ্যালয় ৰাজ্য চৰকাৰৰ এটা অন্যতম অভিলাষী প্ৰকল্প বুলি উল্লেখ কৰি কয়, যে এই বিশ্ববিদ্যালয়খন প্ৰযুক্তি আধাৰিত বৃত্তিমূলক শিক্ষা আৰু প্ৰশিক্ষণৰ ক্ষেত্ৰত দেশৰ প্ৰথমখন বিশ্ববিদ্যালয় হ'ব। গহপুৰৰ ভোলাগুৰি চাহ বাগিচাৰ ৭৩১ বিঘা ভূমিত প্ৰায় ৫০০ কোটি টকা ব্যয়ৰে এই বিশ্ববিদ্যালয়খন নিৰ্মাণ কৰা হ'ব বুলি মুখ্যমন্ত্ৰীয়ে প্ৰকাশ কৰে।

**বাইট (চি এম) ১**

ছহিদ কনকলতা বৰুৱা ৰাজ্যিক বিশ্ববিদ্যালয়খনক সকলো দিশতে আগশাৰীৰ এখন প্ৰতিষ্ঠান হিচাপে গঢ়ি তোলাৰ বাবে ৰাজ্য চৰকাৰে পৰ্যাপ্ত পুঁজি আৱণ্টনৰ ব্যৱস্থা কৰিছে বুলি উল্লেখ কৰি ড০ শৰ্মাই কয়, যে ইয়াত কৃত্ৰিম বুদ্ধিমত্তা, ৰব'টিক ছায়েন্স, থ্ৰী ডি প্ৰিণ্টিঙকে ধৰি কেইবাটাও নতুন নতুন বিষয় অন্তৰ্ভুক্ত কৰা হ'ব।

উল্লেখযোগ্য যে কেন্দ্ৰীয় বিত্তমন্ত্ৰী নিৰ্মলা সীতাৰমণে পৰহিলৈ এই বিশ্ববিদ্যালয়ৰ আধাৰশিলা স্থাপন কৰিব।

মুখ্যমন্ত্ৰীগৰাকীয়ে আজি সাংবাদিকৰ সৈতে হোৱা কথা-বতৰাত অহা ডিচেম্বৰত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ অসম আগমনৰ বিষয়েও প্ৰকাশ কৰে। শ্ৰীমোদীয়ে এই ভ্ৰমণকালত লোকপ্ৰিয় গোপীনাথ বৰদলৈ আন্তঃৰাষ্ট্ৰীয় বিমান বন্দৰৰ নতুন আগমন প্ৰস্থান ভৱন মুকলি কৰাৰ উপৰি নামৰূপৰ ১২ লাখ মেট্ৰিকটনৰ ইউৰিয়া আৰু এম'নিয়া উৎপাদন প্ৰকল্পৰ উদ্বোধন কৰিব বুলি মুখ্যমন্ত্ৰীয়ে জানিবলৈ দিয়ে।

## ৱাইট (চি এম) ২

০০০০০

দুদিনীয়া অসম ভ্ৰমণসূচীৰে কেন্দ্ৰীয় বিত্তমন্ত্ৰী নিৰ্মলা সীতাৰমণ কাইলৈ গুৱাহাটীত উপস্থিত হ'ব। কাইলৈ সন্ধিয়া তেওঁ উজান বজাৰত ব্ৰহ্মপুত্ৰ ৰিভাৰ ফ্ৰণ্টৰ সতী ৰাধিকা শান্তি উদ্যান আৰু পাণবজাৰৰ গে'টৰে অৰ গুৱাহাটীৰ অত্যাধুনিক ফেৰী টাৰ্মিনেল আৰু জেটি উদ্বোধন কৰিব। অনুষ্ঠানত মুখ্যমন্ত্ৰী ডং হিমন্ত বিশ্ব শৰ্মা, জনস্বাস্থ্য কাৰিকৰী বিভাগৰ মন্ত্ৰী জয়ন্ত মল্লবৰুৱা আৰু পৰিবহণ মন্ত্ৰী চৰণ বড়ো উপস্থিত থাকিব। এই প্ৰকল্পই গুৱাহাটী মহানগৰীৰ আন্তঃগাঁথনি আৰু যোগাযোগ ব্যৱস্থা শক্তিশালী কৰিব বুলি আশা কৰা হৈছে। ইয়াৰ আগতে মন্ত্ৰীগৰাকীয়ে জাগীৰোডৰ ছেমি কণ্ডাক্টৰ প্ৰকল্পস্থলী পৰিদৰ্শন কৰিব। প্ৰকল্পস্থলীত আয়োজিত এটা অনুষ্ঠানত বিত্তমন্ত্ৰীগৰাকীয়ে প্ৰায় ৩০০ গৰাকী যুৱক-যুৱতীৰ সৈতে মত বিনিময় কৰিব। শ্ৰীমতী সীতাৰমণৰ আগমনৰ পূৰ্বে আজি মন্ত্ৰী পীযূষ হাজৰিকা আৰু বিমল বৰাই প্ৰকল্পস্থলী পৰিদৰ্শন কৰি যাৱতীয় প্ৰস্তুতিৰ বুজ লয়। তেওঁলোকে লগতে ছেমি কণ্ডাক্টৰ প্ৰকল্পৰ মুখ্য কাৰ্যবাহী অভিযন্তাৰ সৈতে বিদ্যুৎ, পানীযোগান, নিৰাপত্তা আদি বিভিন্ন বিষয়ত আলোচনা কৰে। অহা বছৰৰ ফেব্ৰুৱাৰীত এই প্ৰকল্পটো আনুষ্ঠানিকভাৱে উদ্বোধন কৰা হ'ব। প্ৰকল্পটোৱে ৰাজ্যখনৰ অৰ্থনৈতিক বিকাশৰ দিশত নতুন দিগন্তৰ সূচনা কৰিব বুলি আশা কৰা হৈছে।

০০০০০

ভাৰতীয় প্ৰশাসনিক সেৱাৰ অৱসৰপ্ৰাপ্ত বিষয়া প্ৰভাতি থাওচেনে আজি অসম লোকসেৱা আয়োগৰ অধ্যক্ষ হিচাপে কাৰ্যভাৰ গ্ৰহণ কৰে। ৰাজ্যপাল লক্ষ্মণ প্ৰসাদ আচাৰ্যই আজি ৰাজভৱনত আয়োজিত এটা অনুষ্ঠানত শ্ৰীমতী থাওচেনক শপতবাক্য পাঠ কৰোৱায়।  এই অনুষ্ঠানৰ আৰম্ভণিতে ৰাজ্যৰ মুখ্য সচিব ড০ ৰবি কোটাই শপতগ্ৰহণ অনুষ্ঠান আৰম্ভ কৰাৰ বাবে ৰাজ্যপালগৰাকীৰ অনুমতি বিচাৰে। অনুষ্ঠান শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগু, কেইবাগৰাকীও শীৰ্ষ বিষয়া, অসম লোকসেৱা আয়োগৰ কেইবাগৰাকীও সদস্যৰ লগতে অন্যান্য জ্যেষ্ঠ বিষয়াসকল উপস্থিত থাকে। ইয়াৰ আগেয়ে  আয়োগৰ সদস্য হিচাপে কাৰ্যনিৰ্বাহ কৰি থকা শ্ৰীমতী থাওচেনক আয়োগৰ অধ্যক্ষ হিচাপে নিযুক্তি প্ৰদান কৰি অসম চৰকাৰৰ কৰ্মচাৰী বিভাগৰ আয়ুক্ত সচিব এম মনিৱন্ননে কালি এটা নিৰ্দেশ জাৰি কৰিছিল।

০০০০০

লৌহ মানৱ চৰ্দাৰ বল্লভ ভাই পেটেলৰ ডেৰশ বছৰীয়া জয়ন্তী উদযাপন অংশ হিচাপে আজি বিভিন্ন জিলাত কাৰ্যসূচী অনুষ্ঠিত হয়। কোকৰাঝাৰ জিলা প্ৰশাসনে আজি এই উপলক্ষে একতাৰ দৌৰ অনুষ্ঠিত কৰে। মন্ত্ৰী উৰ্খাও গৌৰা ব্ৰহ্মই মহাত্মা গান্ধী শিশু উদ্যানৰ পৰা এই দৌৰ মুকলি কৰে। হোজাই জিলাত লৌহ মানৱগৰাকীৰ জয়ন্তীৰ সৈতে সংগতি ৰাখি আজি একতাৰ মানৱ শৃংখল অনুষ্ঠিত হয়। জিলা প্ৰশাসনৰ উদ্যোগত আয়োজিত এই কাৰ্যসূচীত সাংসদ কামাখ্যা প্ৰসাদ তাছা, কেইবাগৰাকীও বিধায়ক, জিলা প্ৰশাসন আৰু আৰক্ষী প্ৰশাসনৰ বিষয়ববীয়াৰ উপৰি এন চি চিৰ সদস্যসকলে অংশগ্ৰহণ কৰে। হোজাইৰ নতুন বজাৰৰ বিহুতলী খেলপথাৰৰ পৰা হোজাই চহৰৰ মাজেৰে গৈ হোজাই ষ্টেডিয়ামলৈ এই মানৱ শৃংখল অনুষ্ঠিত হয়।

শ্ৰীভূমি জিলা প্ৰশাসনেও লৌহ মানৱগৰাকীৰ জয়ন্তী উপলক্ষে বিভিন্ন কাৰ্যসূচী গ্ৰহণ কৰিছে। কৰিমগঞ্জৰ সাংসদ কৃপানাথ মাল্লাই আজি শ্ৰীভূমি জিলা আয়ুক্ত কাৰ্যালয়ত কেইবাগৰাকী শীৰ্ষ বিষয়াৰ সৈতে এই সন্দৰ্ভত সভা অনুষ্ঠিত কৰে। এই সভাত জিলাখনত পৰহিলৈ হ'বলগীয়া একতাৰ দৌৰ আৰু অন্যান্য কাৰ্যসচী সন্দৰ্ভত আলোচনা কৰা হয়।

গোৱালপাৰা জিলাতো আজি প্ৰশাসনৰ উদ্যোগত চৰ্দাৰ বল্লভ ভাই পেটেলৰ ডেৰশ বছৰীয়া জয়ন্তীৰ অংশস্বৰূপে বিস্তৃত কাৰ্যসূচী লোৱা হৈছে। এই উপলক্ষে গুৱাহাটীৰ সাংসদ বিজুলী কলিতা মেধিয়ে গোৱালপাৰা জিলা আয়ুক্ত কাৰ্যালয়ত বিষয়াসকলৰ সৈতে এখন সভা অনুষ্ঠিত কৰি সাংবাদ মাধ্যমক এই বিষয়ে অৱগত কৰে। এই অনুসৰি অহা ১৬ নৱেম্বৰত গোৱালপাৰা জিলা আয়ুক্তৰ কাৰ্যালয়ৰ পৰা আৰু ১৯ নৱেম্বৰত দুধনৈৰ উদয়পুৰত একতাৰ

দৌৰ অনুষ্ঠিত হ'ব। ইপিনে, ৰাষ্ট্ৰীয় গীত বন্দে মাতৰম্‌ৰ ডেৰশ বছৰ পূৰ্ণ হোৱা উপলক্ষে কাইলৈ জিলাখনৰ প্ৰশাসনৰ উদ্যোগত গীতটো পৰিৱেশনৰ ব্যৱস্থা কৰা হৈছে বুলি সাংসদগৰাকীয়ে জানিবলৈ দিয়ে।

ooooo

অসমৰ মুখ্য তথ্য আয়ুক্ত ভাস্কৰজ্যোতি মহন্তই আজি পদত্যাগ কৰিছে। ৰাজ্যপাললৈ দিয়া এখন পত্ৰত শ্ৰীমহন্তই জুবিন গাৰ্গৰ মৃত্যুৰ পাছত ভাতৃ শ্যামকানু মহন্তৰ বিৰুদ্ধে কেইবাখনো আৰ টি আই আবেদন দাখিল কৰা আৰু এই সম্পৰ্কীয় আপিল আবেদন তথ্য আয়োগলৈ অহাৰ পৰিপ্ৰেক্ষিতত তেওঁ পদত্যাগ কৰিছে বুলি উল্লেখ কৰে। পত্ৰখনত তেওঁ ভাতৃ শ্যামকানু মহন্তৰ নাম প্ৰিয় শিল্পী জুবিন গাৰ্গৰ মৃত্যুৰ ঘটনাৰ সৈতে সাঙোৰ খাইছে আৰু এইক্ষেত্ৰত আৰ টি আই আবেদন দাখিলৰ বিষয়ে তেওঁ জানিব পাৰিছে। তথ্য আয়োগৰ মুৰব্বী হিচাপে এনে আবেদনৰ আপিল সন্দৰ্ভত কোনো ৰায় দিয়াৰ সময়ত তেওঁৰ নিৰপেক্ষতা সম্পৰ্কত কাৰোবাৰ মনত সন্দেহৰ অৱকাশ থাকিব পাৰে। তথ্য আয়োগ আৰু গণতন্ত্ৰৰ উচ্চ পৰম্পৰা ৰক্ষা কৰি বিবেকৰ আহ্বানমৰ্মে তেওঁ পদত্যাগ কৰিছে।

**বাইট (ভাস্কৰজ্যোতি মহন্ত)**

উল্লেখযোগ্য যে ভাৰতীয় আৰক্ষী সেৱাৰ জ্যেষ্ঠ বিষয়া ভাস্কৰজ্যোতি মহন্তই ৰাজ্য আৰু কেন্দ্ৰীয় চৰকাৰৰ বিভিন্ন উচ্চ পদত কাৰ্যনিৰ্বাহ কৰাৰ পাছত ৰাজ্যৰ আৰক্ষী সঞ্চালকপ্ৰধানৰূপে কাৰ্যনিৰ্বাহ কৰিছিল। অৱসৰ গ্ৰহণৰ পাছত তেওঁক ২০২৩ চনত অসমৰ মুখ্য তথ্য আয়ুক্তৰূপে নিযুক্তি দিয়া হৈছিল।

ooooo

ন্যায়াধীশ কৌশিক গোস্বামীয়ে কাইলৈ গুৱাহাটী উচ্চ ন্যায়ালয়ৰ অতিৰিক্ত ন্যায়াধীশৰূপে শপত গ্ৰহণ কৰিব। কাইলৈ উচ্চ ন্যায়ালয়ৰ নতুন ভৱনত আয়োজিত এটা অনুষ্ঠানত ন্যায়াধীশ গোস্বামীক গুৱাহাটী উচ্চ ন্যায়ালয়ৰ মুখ্য ন্যায়াধীশ আশুতোষ কুমাৰে কাৰ্যভাৰ গ্ৰহণৰ গোপনীয়তাৰ শপতবাক্য পাঠ কৰোৱাব।

ooooo

প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙে গুৱাহাটীৰ লাচিত ঘাটত অহা দেওবাৰে হ'বলগীয়া ৯৩ সংখ্যক বায়ু সেনা দিৱসৰ কেন্দ্ৰীয় অনুষ্ঠানত অংশগ্ৰহণ কৰিব। এই অনুষ্ঠানৰ অংশ হিচাপে সেইদিনা দুপৰীয়া চাৰে ১২ বজাৰ পৰা দিনৰ দুই বজালৈ এয়াৰ শ্ব' প্ৰদৰ্শন কৰা হ'ব। কেন্দ্ৰীয়ভাৱে অনুষ্ঠিত এই এয়াৰ শ্ব'ত ৰাফেল, মিগ, ছুখয় আদিৰ দৰে ৭৫ খন বিমানে ভাগ ল'ব। বিদ্যালয়, মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলৰ লগতে বৃদ্ধা শ্ৰমৰ আবাসীসকলক অনুষ্ঠানলৈ আমন্ত্ৰণ জনোৱা হৈছে। গুৱাহাটীৰ উজান বজাৰৰ নতুন পাৰ্কৰ পৰা ইচ্ছুক ব্যক্তিসকলে ফ্লাইং শ্ব' চাব পাৰিব। জনসাধাৰণে সুবিধা অনুযায়ী গুৱাহাটীৰ নিজৰ ঘৰৰ পৰাও এই শ্ব'টো উপভোগ কৰিব পাৰিব। মহানগৰীৰ অশ্বক্লান্ত মন্দিৰৰ প্ৰাংগণত অতিথিৰ বাবে এয়াৰ শ্ব' চোৱাৰ ব্যৱস্থা কৰা হৈছে।

ooooo

ব্ৰহ্মপুত্ৰৰ পাৰত বায়ুসেনাৰ সামৰিক প্ৰদৰ্শনৰ অনুশীলনৰ পৰিপ্ৰেক্ষিতত আজিৰেপৰা ৯ নৱেম্বৰলৈ গুৱাহাটী-উত্তৰ গুৱাহাটীৰ মাজৰ ফেৰীসেৱা বন্ধ ৰখা হ'ব। এই অনুশীলনত সুবিধা হোৱাকৈ আৰু গুৱাহাটী গে'টৱে মুকলি অনুষ্ঠানৰ বাবে আভ্যন্তৰীণ জল পৰিবহণ বিভাগে ফেৰীসেৱা বন্ধ ৰখাৰ সিদ্ধান্ত লৈছে। বিকল্প হিচাপে উত্তৰ গুৱাহাটীৰ পৰা গুৱাহাটীলৈ আজিৰেপৰা অসম ৰাজ্যিক পৰিবহণ নিগমৰ বাছ চলাচল কৰিব। ইপিনে, মাছখোৱাৰ লাচিত ঘাটত হ'বলগীয়া ভাৰতীয় বায়ু সেনা দিৱসৰ ফ্লাই পাষ্টৰ বাবে ৮ আৰু ৯ নৱেম্বৰত গুৱাহাটীত যান-বাহন চলাচলৰ ক্ষেত্ৰত কিছু নিষেধাজ্ঞা আৰোপ কৰা হৈছে। বাণিজ্যিক সামগ্ৰী কঢ়িওৱা বাহন তথা অন্য গধুৰ  বাহনক এইচ বি ৰোড, এ টি ৰোড, ডি জি ৰোড, এম জি ৰোড, বি বৰুৱা ৰোড, জি এন বি ৰোডত ৮ আৰু ৯ নৱেম্বৰৰ পুৱা ৭ বজাৰ পৰা বিয়লি ৫ বজালৈ চলাচলৰ অনুমতি দিয়া নহ'ব। সেই সময়খিনিত ঠেলা, ৰিক্সা আদি বাহনক এম জি ৰোডত মাছখোৱাৰ পৰা মুখ্য ন্যায়াধীশৰ বাংলোলৈকে চলাচল কৰাত বাধা আৰোপ কৰা হৈছে। বায়ু সেনাই জাৰি কৰা আৰু বিতৰণ কৰা অনুমতিপত্ৰ থকা বাহনৰ বাহিৰে আন কোনো বাহন দিনৰ ১১ বজাৰ পৰা বিয়লি ৫ বজালৈ

সেই অঞ্চলত চলাচল কৰিব নোৱাৰিব। খানাপাৰাৰ পৰা ভৰলুমুখৰ ফালে অহা সকলো ছিটি বাছ্ জি এছ্ ৰোড, এ টি ৰোড, আঠগাওঁ হৈ গৈ পাণবজাৰৰ আৰ বি আই হৈ ঘুৰিব নোৱাৰিব। ছিটিবাছৰ বাহিৰে জালুকবাৰীৰ পৰা অহা কোনো গধুৰ বাহন মহানগৰীত প্ৰৱেশ কৰিবলৈ দিয়া নহ'ব। এইচ বি ৰোডত দুয়োপিনে যান-বাহন চলাচল কৰিব পাৰিব।

০০০০০

আকাশবাণী গুৱাহাটীৰ বাতৰি বিভাগৰ ৬৯ বছৰীয়া ইতিহাসত বহুকেইগৰাকী সাংবাদিক আৰু সংবাদকৰ্মীয়ে বিভাগটোলৈ সেৰা আগবঢ়াই গৈছে। জীৱন আৰু জীৱিকাৰ সন্ধানত অথবা সাংসাৰিক প্ৰয়োজনত পৰৱৰ্তী কালত এওঁলোকৰ বহুকেইগৰাকীয়ে আন ক্ষেত্ৰলৈ যাবলগীয়া হ'ল আৰু নিজ নিজ ক্ষেত্ৰত প্ৰসিদ্ধি লাভ কৰিবলৈ সমৰ্থ হ'ল। কিন্তু তেওঁলোকে আজিও বুকুত কঢ়িয়াই ফুৰিছে আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ বাতৰি বিভাগৰ সুমধুৰ স্মৃতি। এনে কেইগৰাকীমান প্ৰাক্তন সতীৰ্থৰ স্মৃতি ৰোমন্থনেৰে মুখৰিত হ'ব অহা শনিবাৰ ৮ নৱেম্বৰৰ নিশা আকাশবাণীৰ ষ্টুডিঅ'। সেইদিনা নিশা ৮ বাজি ২ মিনিটৰ দৃষ্টিপাতত তেওঁলোকে ব্যক্ত কৰিব নিজ নিজ অভিজ্ঞতা আৰু উপলব্ধি। অনুষ্ঠানটোৰ পৰিকল্পনা, প্ৰযোজনা আৰু উপস্থাপন আকাশবাণী গুৱাহাটীৰ বাতৰি বিভাগৰ মুৰববী ৰাজীৱ লোচন বৰঠাকুৰৰ।

০০০০০

ভাৰত আৰু অষ্ট্ৰেলিয়াৰ মাজৰ পাঁচখনীয়া টি-২০ ক্ৰিকেট শৃংখলাৰ আজি কুইন্সলেণ্ডত অনুষ্ঠিত চতুৰ্থখন খেলত ভাৰতে অষ্ট্ৰেলিয়াক ৪৮ ৰানত পৰাস্ত কৰে। অষ্ট্ৰেলিয়াই ১৬৮ ৰানৰ বিজয় লক্ষ্যৰে খেল আৰম্ভ কৰি ১৮ অভাৰ দুটা বলত আটাইকেইটা উইকেট হেৰুৱাই ১১৯ ৰানহে কৰিবলৈ সমৰ্থ হয়। দলটোৰ হৈ মিছেল মাৰ্শ্বে সৰ্বাধিক ৩০ ৰান কৰে। ভাৰতৰ ৱাশ্বিংটন সুন্দৰে তিনিটা উইকেট দখল কৰাৰ লগতে অক্ষৰ পেটেল আৰু শিভম ডুবেই দুটাকৈ উইকেট লাভ কৰে। ইয়াৰ পূৰ্বে ভাৰতে প্ৰথমে বেট ধৰাৰ আমন্ত্ৰণ লাভ কৰি নিৰ্ধাৰিত ২০ অভাৰত ৮ উইকেটৰ বিনিময়ত ১৬৭ ৰান সংগ্ৰহ কৰে। শুভমন গিলে সৰ্বাধিক ৪৬ আৰু অভিষেক শৰ্মাই ২৮ ৰান কৰে। অষ্ট্ৰেলিয়াৰ নাথান এলিছ আৰু এডম জাম্পাই তিনিটাকৈ উইকেট লাভ কৰে।

এই জয়ৰ সুবাদত পাঁচখনীয়া শৃংখলাটোত ভাৰতে ২-১ৰ অগ্ৰগতি লাভ কৰিছে।

০০০০০

সমাপ্ত